**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 14-08-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১। দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত অমৃত উদ্যানৰ গ্ৰীষ্মকালীন বাৰ্ষিক উৎসৱ উদ্বোধন কৰিব।

৩। ৰাছিয়াৰ বিদেশ মন্ত্ৰী ছাৰ্গেই লেভৰ'ভ আৰু ভাৰতৰ বৈদেশিক মন্ত্ৰী ড০ এছ্‌ জয়শংকৰৰ অহা ২১ আগষ্টত মস্কোত এখন বৈঠকত মিলিত হ'ব।

৪। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে কালি নতুন দিল্লীত উদ্যোগ খণ্ডৰ নেতাসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। *আৰু*

৫। দিল্লী-এন চি আৰত গৰাকীবিহীন কুকুৰৰ ত্ৰাস সন্দৰ্ভত শেহতীয়াকৈ উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্দেশ পুনৰ পৰীক্ষা কৰা হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ জৰিয়তে সন্ধিয়া ৭ বজাৰ পৰা ৰাষ্ট্ৰপতিৰ ভাষণ পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। হিন্দী আৰু ইংৰাজী ভাষণৰ ঠিক পাছতেই দূৰদৰ্শনৰ আঞ্চলিক কেন্দ্ৰসমূহে নিজ নিজ আঞ্চলিক ভাষাত ৰাষ্ট্ৰপতিৰ ভাষণ সম্প্ৰচাৰ কৰিব। আকাশবাণীত নিশা চাৰে ৯ বজাত ৰাষ্ট্ৰপতি ভাষণৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰা হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত অমৃত উদ্যানৰ গ্ৰীষ্মকালীন বাৰ্ষিক উৎসৱ উদ্বোধন কৰিব। এই উদ্যান জনসাধাৰণৰ বাবে অহা ১৬ আগষ্টৰ পৰা ১৪ ছেপ্তেম্বৰলৈ খোলা থাকিব। জনসাধাৰণে দিনৰ ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ অমৃত উদ্যান পৰিদৰ্শন কৰিব পাৰিব। ২৯ আগষ্টত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে এথলীট আৰু ক্ৰীড়াবিদসকলক আৰু ৫ ছেপ্তেম্বৰত শিক্ষক দিৱস উপলক্ষে সকলো শিক্ষককে অমৃত উদ্যানত বিশেষ প্ৰবেশৰ সুবিধা দিয়া হ'ব। এই উদ্যানত শিশু বাটিকা, ঔষধী উদ্যান, বনচাই উদ্যান, দীঘলীয়া বাগিচা আৰু বৃত্তাকাৰ বাগিচা থাকিব। এই অমৃত উদ্যানত সকলোৰে বাবে বিনামূলী প্ৰবেশৰ সুবিধা থাকিব। প্ৰতি সপ্তাহৰ সোমবাৰে মেৰামতিৰ বাবে উদ্যান বন্ধ থাকিব।

ooooo

ৰাছিয়াৰ বিদেশ মন্ত্ৰী ছাৰ্গেই লেভৰ'ভ আৰু ভাৰতৰ বৈদেশিক মন্ত্ৰী ড০ এছ্‌ জয়শংকৰৰ অহা ২১ আগষ্টত মস্কোত এখন বৈঠকত মিলিত হ'ব। ৰাছিয়াৰ বিদেশ মন্ত্ৰালয়ে কালি এই কথা নিশ্চিত কৰিছে। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক বিষয়সমূহ লগতে আন্তঃৰাষ্ট্ৰীয় পৰিকাঠামোৰ ভিতৰত সহযোগিতাৰ বিভিন্ন

গুৰুত্বপূৰ্ণ দিশ সন্দৰ্ভত আলোচনা কৰিব। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালৰ শেহতীয়া মস্কো ভ্ৰমণৰ পাছত ভাৰত আৰু ৰাছিয়াৰ বিদেশ মন্ত্ৰীৰ মাজত এই বৈঠক অনুষ্ঠিত হ'ব। যোৱা মাহত অনুষ্ঠিত ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ সময়তো দুয়োগৰাকী মন্ত্ৰী বৈঠকত মিলিত হৈছিল আৰু দ্বিপাক্ষিক সহযোগিতা পশ্চিম এছিয়া, ব্ৰিকছ্ আৰু ছাংহাই সহযোগিতা সংস্থা সন্দৰ্ভত আলোচনা কৰিছিল।

ooooo

চীনৰ বিদেশ মন্ত্ৰী ৱেং য়ি অহা ১৮ আগষ্টত ভাৰতলৈ আহিব। ছাংহাই সহযোগিতা সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চীন ভ্ৰমণৰ পূৰ্বে দেশখনৰ বিদেশ মন্ত্ৰীগৰাকী ভাৰত ভ্ৰমণলৈ আহিব। অহা ৩১ আগষ্টত টিয়ানঝিনত এই ছাংহাই সহযোগিতা সন্মিলন অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ২০২০ চনৰ গালৱান সংঘৰ্ষৰ পাছত প্ৰধানমন্ত্ৰী মোদীৰ এয়া হ'ব প্ৰথম চীন ভ্ৰমণ।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কৈছে যে কাইলৈ হ'বলগীয়া বৈঠকৰ পাছত যদিহে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে ইউক্ৰেইনৰ যুদ্ধ বন্ধ কৰাৰ ক্ষেত্ৰত সন্মত নহয় তেন্তে ইয়াৰ পৰিনাম অত্যন্ত ভয়াৱহ হ'ব। ইউৰোপীয় নেতাসকলৰ সৈতে কালি হোৱা ভাৰ্চুৱেল বৈঠকৰ বিষয়ে প্ৰকাশ কৰি ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৱে কৈছে যে আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে আলাস্কাত হ'বলগীয়া আমেৰিকা-ৰাছিয়া শীৰ্ষ সন্মিলনত যুদ্ধ বিৰতি বিচাৰিছে বুলি স্পষ্ট কৰি দিছে। কালিৰ বৈঠকত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে কৈছে যে শ্ৰীপুটিনে আমেৰিকাৰ ৰাষ্ট্ৰপতি সৈতে হ'বলগীয়া বৈঠকৰ পূৰ্বেই ভুৱা মাতিছে।

ooooo

কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে কালি নতুন দিল্লীত উদ্যোগ খণ্ডৰ নেতাসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত শ্ৰীসিঙে বিশ্ব বাণিজ্য পৰিস্থিতি সন্দৰ্ভত পৰ্যালোচনা কৰে। তেওঁ কয়, যে বিভিন্ন গোলকীয় প্ৰত্যাহ্বান স্বতেও ভাৰতৰ বস্ত্ৰ উদ্যোগে ২০৩০ চনৰ ভিতৰত ১০ হাজাৰ কোটি আমেৰিকান ডলাৰৰ ৰপ্তানিৰ লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ হ'ব। নতুন বজাৰৰ কৌশলসমূহ চিনাক্ত কৰা, গাঁথনিগত সংস্কাৰৰ লগতে নতুন বজাৰ সন্দৰ্ভত গুৰুত্ব দিবলৈ চাৰিখনকৈ কমিটী গঠন কৰা হ'ব বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

ooooo

দিল্লী-এনচিআৰত ভতুৱা কুকুৰৰ ত্ৰাস সন্দৰ্ভত শেহতীয়াকৈ উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্দেশ পুনৰ পৰীক্ষা কৰা হ'ব। মুখ্য ন্যায়াধীশে বি আৰ গাভায়ে এই সন্দৰ্ভত ন্যায়াধীশ বিক্ৰম নাথ, সন্দীপ মেহতা, আৰু এন.ভি. আঞ্জাৰিয়াক লৈ এখন তিনি জনীয়া বিচাৰপীঠ গঠন কৰিছে।আজি এই বিষয়ত শুনানি অনুষ্ঠিত হ'ব।

ইয়াৰ পূৰ্বে কালি মুখ্য ন্যায়াধীশ গৰাকীয়ে কয় যে তেওঁ গৰাকিবিহীন কুকুৰৰ সৈতে জড়িত চলি থকা বিষয়টো পৰীক্ষা কৰিব। এজন অধিবক্তাই এই বিষয়টোৰ কথা তেঁওক অৱগত কৰি কয় যে উচ্চতম ন্যায়ালয়ৰ বিভিন্ন বিচাৰপীঠে বিষয়টো সন্দৰ্ভত বিৰোধী নিৰ্দেশনা জাৰি কৰিছে। বিচাৰপীঠখনে অলপতে গৰাকীবিহীন, ভতুৱা কুকুৰক আশ্ৰয় গৃহলৈ স্থানান্তৰিত কৰাৰ লগতে ৰাজহুৱা স্থানত পুনৰ মুকলি কৰি দিয়াত নিষেধাজ্ঞা আৰোপ কৰিছিল।

**১১** আগষ্টত ন্যায়াধীশ জে বি পাৰ্দিৱালা আৰু আৰ মহাদেৱানৰ বিচাৰপীঠে ভতুৱা কুকুৰৰ ভাবুকিৰ ওপৰত কঠোৰ দৃষ্টিভংগী গ্ৰহণ কৰি দিল্লী-এনচিআৰক আঠ সপ্তাহৰ ভিতৰত

সকলো অঞ্চলৰ পৰা ভতুৱা কুকুৰক আঁতৰাই পৌৰ কর্তৃপক্ষই স্থাপন কৰিবলগীয়া কুকুৰৰ আশ্রয় শিবিৰত ৰখাৰ নির্দেশ দিয়ে।নির্দেশটোত উল্লেখ কৰা হৈছে যে দিল্লীৰ সকলো অঞ্চল ভতুৱা কুকুৰৰ পৰা মুক্ত কৰা উচিত আৰু ইয়াৰ বাবে কোনো ধৰণৰ আপোচ কৰা উচিত নহয়। এবাৰ স্থানান্তৰি ত কুকুৰক পুনৰ ৰাজপথত এৰি দিয়া নহ'ব বুলিও ৰায় টোত উল্লেখ কৰা হয়। ইয়াৰ উপৰিও শীর্ষ আদালতখনে যিকোনো ব্যক্তি বা সংগঠনে কর্তৃপক্ষক ভতুৱা কুকুৰ ধৰা অভিযান চলোৱাত বাধা দিবলৈ চেষ্টা কৰিলে তেওঁলোকৰ বিৰুদ্ধে আদালত অৱমাননাৰ গোচৰ তৰাৰ নির্দেশ দিয়ে।

জলাতংক ৰোগৰ সৃষ্টি কৰা ভতুৱা কুকুৰৰ আক্রমণৰ ক্রমবর্ধমান ভাবুকিৰ ওপৰত সংবাদ মাধ্যমত প্রকাশিত প্রতিবেদন সন্দর্ভত উচ্চতম ন্যায়ালয়ে নিজাববিয়াকৈ শুনানি গ্রহণ কৰি এই নির্দেশ দিছিল।

ooooo

বিধি বলবৎকাৰী সঞ্চালকালয়ে ভাছাই-বিৰাৰ নগৰ পৌৰ নিগমৰ প্রাক্তন আয়ুক্ত অনিল পাৱাৰ, নিলম্বিত নগৰ পৰিকল্পনাৰ উপ-সঞ্চালক ৱাই. এচ ৰেড্ডী, বিল্ডাৰ সীতাৰাম গুপ্তা আৰু তেওঁৰ ভতিজা অৰুণ গুপ্তাক গ্রেপ্তাৰ কৰে। আটাইকেইজনক ৰাজহুৱা সুবিধাৰ বাবে সংৰক্ষিত ব্যক্তিগত ভূমি আৰু ষাঠি একৰ চৰকাৰী ভূমিত একচল্লিশটা অট্টালিকা অবৈধভাৱে নির্মাণৰ সৈতে জড়িত অবৈধ ধন সৰবৰাহৰ গোচৰত গ্রেপ্তাৰ কৰা হয়। যৌথ জেৰাৰ অন্তত অভিযুক্তকেইজনক মুম্বাইত ইডীৰ জিম্মাত লোৱা হয় আৰু আজি পিএমএলএ আদালতত অভিযুক্তকেইজনক হাজিৰ কৰোৱা হ'ব। ইডিৰ মতে, পৌৰ নিগমৰ বিষয়া আৰু বিল্ডাৰ কেইজনে গোপন বুজাবুজি কৰি ৰাজহুৱা ভুমিক ব্যক্তিগত ৰিয়েল এষ্টেটলৈ ৰূপান্তৰিত কৰিছিল আৰু ভুৱা প্রমাণপত্রৰ এটা নেটৱর্কৰ জৰিয়তে কাম কৰিছিল। এই সন্দর্ভত তদন্ত অব্যাহত আছে।

ooooo

দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ পূর্বে কেন্দ্রীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্রী সর্বানন্দ সোণোৱালে কালি অসমৰ ডিব্রুগড় জিলাত **হৰ ঘৰ তিৰংগা** অভিযানৰ শুভাৰম্ভ কৰে। ডিব্রুগড় লোকসভা সমষ্টিক প্রতিনিধিত্ব কৰা শ্রীসোণোৱালে জিলাখনৰ বিজেপিৰ প্রাক্তন সভাপতি আৰু ডিব্রুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্রাপ্ত অধ্যাপক ড০ হৰেন্দ্র নাৰায়ণ দত্ত, বিশিষ্ট লোকশিল্পী ৰামচন্দ্র ছানচনী, ডিব্রুগড়ৰ আৰ এছ এছৰ প্রতিষ্ঠাপক সভাপতি-জ্যেষ্ঠ অধিবক্তা অসীম দত্তৰ ঘৰলৈ গৈ তেওঁলোকক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে একোখনকৈ ৰাষ্ট্রীয় পতাকা উপহাৰ দি এই অভিযানত তেওঁলোকৰ অংশগ্রহণৰ বাবে আহ্বান জনায়। তেওঁ লগতে ছাত্র-ছাত্রীসকলৰ মনত দেশপ্রেমৰ ভাব জগাই তোলাৰ উদ্দেশ্যে তেওঁলোকৰ মাজত ৰাষ্ট্রীয় পতাকাও বিতৰণ কৰে।

ooooo

মিজোৰামৰ একমাত্র লোকসভাৰ সদস্য ৰিচার্ড ৱনলালহমঙেহাই ৰাজ্যখনত ৰূপায়ণ হৈ থকা প্রকল্পসমূহ ত্বৰান্বিত কৰাৰ লগতে ভূমি অধিগ্রহণৰ সমস্যাসমূহ শীঘ্রেই সমাধান কৰাৰ বাবে ব্যৱস্থা গ্রহণ কৰিবলৈ সীমান্ত পথ সংস্থা চমুকৈ বি আৰ অ'ক আহ্বান জনাইছে। নতুন দিল্লীত কালি বি আৰ অ'ৰ মুখ্য কার্যালয়ত সংস্থাটোৰ সঞ্চালক প্রধান লেফটেনেণ্ট ৰঘু শ্রীনিবাসনৰ সৈতে হোৱা এখন বৈঠকত শ্রীৰিচার্ডে ৰাজ্যখনত সংস্থাটোৰ অধীনত বর্তমানে ৰূপায়ণ হৈ থকা পথ নির্মাণ তথা অন্যান্য উন্নয়নমূলক প্রকল্পৰ কাম ত্বৰান্বিত কৰাৰ বাবে আহ্বান জনায়। ইয়াৰ লগতে ৰাজ্যখনৰ লঙ্‌টলাই, ছিয়াহা আৰু চম্ফাই জিলাৰ ভূমি

অধিগ্ৰহণ বিষয়ক অমীমাংসিত হৈ থকা সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত হস্তক্ষেপ কৰিবলৈও সঞ্চালক প্ৰধানগৰাকীক আহ্বান জনায়। এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই শ্ৰীনিবাসনে ৰাজ্যখনৰ বৰ্তমানৰ প্ৰকল্পসমূহৰ কাম শীঘ্ৰে সম্পূৰ্ণ কৰাৰ লগতে শীঘ্ৰেই কাৰ্যকৰী হোৱাকৈ নতুন প্ৰকল্পৰ কাম আৰম্ভ কৰাৰ আশ্বাস দিয়ে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩১ আগষ্টত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব মন কি বাত অনুষ্ঠানৰ ১২৫ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০-১১-৭৮০০ ট'ল ফ্ৰী নম্বৰ ফোন কৰি তেওঁলোকৰ দিহা-পৰামৰ্শসমূহ আগবঢ়াব পাৰিব। জনসাধাৰণে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাইগ'ভ মুকলি মঞ্চৰ জৰিয়তে ২৯ আগষ্টৰ ভিতৰত তেওঁলোকৰ দিহা-পৰামৰ্শসমূহ আগবঢ়াব পাৰিব। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ জৰিয়তে প্ৰচাৰিত হ'ব।

০০০০০

সমাপ্ত